**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 01**-08-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এদিনীয়া ভ্ৰমণসূচীৰে অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকলৈ যাব।

২। সাম্প্ৰতিক বানত অসমৰ ১৫ হাজাৰ ৪৩০ হেক্টৰ কৃষি ভূমি নষ্ট হৈছে।

৩। নতুন দিল্লীত কালি ভাৰত আৰু লেছ'থোৰ যুটীয়া দ্বিপাক্ষিক সহযোগিতা আয়োগৰ ষষ্ঠখন বৈঠক অনুষ্ঠিত হয়।

৪। গ্লাছগ' কমনৱেল্থ গেমছত লাভলীনা বৰগোঁহাই মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত উপনীত হৈছে।

*আৰু*

৫। ১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ এফৰ খেলসমূহ আজিৰে পৰা গুৱাহাটীত আৰম্ভ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এদিনীয়া ভ্ৰমণসূচীৰে অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকলৈ যাব। অন্ধ্ৰপ্ৰদেশ ভ্ৰমণকালত শ্ৰী মোদীয়ে ভিজিয়ানগৰম জিলাৰ ভোগাপুৰমত ১৮ হাজাৰ কোটিৰো অধিক ধনৰ ব্যয়ৰে নিৰ্মাণ কৰা বিভিন্ন উন্নয়নমূলক প্ৰকল্প ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰাৰ লগতে আন ভালেমান প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ভোগাপুৰমত অল্লুৰী সীতাৰাম ৰাজু আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ মুকলি কৰিব। ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বৰে পাঁচ হাজাৰ ৬০০ কোটিৰো অধিক টকাৰে বিকশাই তোলা এই গ্ৰীণ ফিল্ড বিমান বন্দৰটো বছৰি ৬০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ সজাই তোলা হৈছে। এই বিমান বন্দৰটোৱে অন্ধ্ৰপ্ৰদেশৰ সেই অঞ্চলটোত পৰ্যটন, বাণিজ্য, বিনিয়োগ আৰু নিয়োগৰ সুবিধা সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। একেদৰে প্ৰধানমন্ত্ৰীয়ে বিশাখাপট্টনমৰ এ এছ আই পি ছেমিকণ্ডাক্টৰ প্ৰকল্প'ৰো আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পটোত ৪৬০ কোটিৰো অধিক টকা বিনিয়োগ কৰা হৈছে। ভাৰত ছেমিকণ্ডাক্টৰ মিছনৰ অধীনত এয়া হ'ব ৰাজ্যখনত প্ৰথমটো ছেমিকণ্ডাক্টৰ নিৰ্মাণ কেন্দ্ৰ। এই কেন্দ্ৰটোত প্ৰতি বছৰে প্ৰায় ৯৬ লাখ ছেমিকণ্ডাক্টৰ ছিপ নিৰ্মাণ কৰিব পৰা যাব আৰু ইয়াৰ জৰিয়তে অঞ্চলটোত নিযুক্তিৰ সুবিধাও বৃদ্ধি পাব। শ্ৰী মোদীৰ আজিৰ ভ্ৰমণতে ৰাজ্যখনৰ শক্তিখণ্ডৰ বিশেষ প্ৰকল্পও মুকলি কৰিব। তেওঁ লগতে প্ৰায় তিনি হাজাৰ ৫৫০ কোটি টকাৰে বিকশাই তোলা কুৰনুল বায়ু শক্তি এলেকা আৰু অন্ধ্ৰ প্ৰদেশৰ সৌৰ শক্তি এলেকাৰ এ আৰু বি অংশ মুকলি কৰিব। তেওঁ অনন্তপুৰমৰ আন এটা শক্তি

প্ৰকল্পও ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। এই প্ৰকল্পসমূহে কুৰনুল আৰু অনন্তপুৰমৰ শক্তিখণ্ডৰ দ্ৰুত উন্নয়ন সাধন কৰিব।

প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে জড়িত ভালেকেইটা প্ৰকল্পও মুকলি কৰিব। ইয়াৰ ভিতৰত লিংগসমুদ্ৰমৰ এখন দলঙো আছে। এই প্ৰকল্পসমূহে বিজয়বাড়া আৰু বিভিন্ন চহৰৰ মাজৰ যানযট বহুলাংশে হ্ৰাস কৰাৰ লগতে পথ সুৰক্ষা বৃদ্ধি কৰাত সহায় কৰিব। এই প্ৰকল্পসমূহে বিশাখাপট্টনম আৰু হায়দৰাবাদৰ মাজত আঞ্চলিক সংযোগ ত্বৰান্বিত কৰিব আৰু ভ্ৰমণ দূৰত্ব তথা সময় হ্ৰাস কৰিব।

অন্ধ্ৰপ্ৰদেশ ভ্ৰমণৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ্ণাটকলৈ ৰাওনা হ'ব। শ্ৰী মোদীয়ে আজি মহীশুৰত উপস্থিত হৈ স্বামী বিবেকানন্দ সাংস্কৃতিক যুৱ কেন্দ্ৰ- বিবেক স্মাৰক মুকলি কৰিব। তেওঁ তাত উপস্থিত জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব। এই বিবেক স্মাৰকে ১৮৯২ চনত স্বামী বিবেকানন্দই মহীশুৰলৈ কৰা ঐতিহাসিক ভ্ৰমণৰ স্মৃতি উজ্বল কৰি তুলিছে। ঐতিহাসিক নিৰঞ্জনা মঠত অৱস্থিত এই বিবেক স্মাৰকটো ৮১ হাজাৰ বৰ্গফুট এলেকাত নিৰ্মাণ কৰি উলিওৱা হৈছে। প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি চলোৱাৰ উদ্দেশ্যে শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি এই কেন্দ্ৰটোত বিশেষ সুবিধাৰ দিহা কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী এণ্ডি বাৰ্নহামক নতুন পদবীৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা অনুসৰি আলোচনাকালত দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ভাৰত আৰু ব্ৰিটেইনৰ মাজত থকা সৰ্বাত্মক কৌশলগত সহযোগিতাক অধিক আগুৱাই নিয়াৰ লগতে প্ৰযুক্তি, উদ্ভাৱন, প্ৰতিৰক্ষা, নিৰাপত্তা, নিকা শক্তি, শিক্ষা আৰু জনসাধাৰণৰ মাজত থকা সম্পৰ্কৰ বিষয়ে কথা পাতে। তেওঁ লগতে কয়, যে শেহতীয়াকৈ সম্পন্ন হোৱা সৰ্বাত্মক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিৰ জৰিয়তে ভাৰত আৰু ব্ৰিটেইনৰ মাজত থকা বাণিজ্য আৰু বিনিয়োগৰ সুযোগসমূহ সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ উভয় দেশে সহযোগিতাৰে কাম কৰিব। বাৰ্তালাপৰ সময়ছোৱাত শ্ৰী মোদীয়ে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকীক সফল কাৰ্যকালৰ বাবেও শুভেচ্ছা জ্ঞাপন কৰে।

০০০০

**অসমৰ শেহতীয়া বান পৰিস্থিতি সামান্য উন্নত হৈছে । অৱশ্যে বৰ্তমানলৈও শিৱসাগৰ- চৰাইদেউ- গোলাঘাট- যোৰহাট- আৰু নগাঁও জিলাৰ বহু অঞ্চল পানীত বুৰ গৈ আছে। প্ৰায় ৩৭৯ খন গাঁৱৰ ১ লাখ ৯২ হাজাৰ ৭৯৯ জন লোক ক্ষতিগ্ৰস্ত হৈছে। এই বানত ৰাজ্যখনৰ ১৫হাজাৰ ৪৩০ হেক্টৰ কৃষিভূমি নষ্ট হৈছে। কালি শিৱসাগৰ জিলাত এগৰাকী আৰু চৰাইদেউ জিলাত আন এগৰাকী লোকৰ মৃত্যু হোৱাৰ খবৰ আমালৈ আহিছে। ইয়াকে ধৰি এইবাৰৰ বানত অসমৰ মুঠ ৮২ গৰাকী লোকৰ মৃত্যু হৈছে। এই বানত ৰাজ্যখনৰ ভালেসংখ্যক পশুধন ক্ষতিগ্ৰস্ত হৈছে।**

চৰকাৰে বানপিড়ীত লোকসকলক সাহায্য সামগ্ৰী দিয়াৰ সমান্তৰালকৈ ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ বোকা-পানী পৰিস্কাৰকৰণৰ লগতে পুনৰ্বাসন কাৰ্য্যও চলাই আছে। একেদৰে বিভিন্ন দল-সংগঠনেও বান ক্ষতিগ্ৰস্ত লোকসকললৈ আগবঢ়োৱা সাহায্য অব্যাহত ৰাখিছে।

০০০০

নতুন দিল্লীত কালি ভাৰত আৰু লেছ'থোৰ যুটীয়া দ্বিপাক্ষিক সহযোগিতা আয়োগৰ ষষ্ঠখন বৈঠক অনুষ্ঠিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমত প্ৰকাশ কৰা অনুসৰি বৈঠকত পূব আৰু দক্ষিণ আফ্ৰিকাৰ যুটীয়া সচিব জনেছ কেইন আৰু লেছ'থোৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ শাখাৰ মুখ্য সচিব থাবাং লেখেলাই সহ-অধ্যক্ষতা কৰে। বৈঠকত দুয়োগৰাকী নেতাই উভয় দেশৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ পৰ্যালোচনা কৰে। আলোচনাকালত দুয়ো দেশৰ মাজত ৰাষ্ট্ৰসংঘৰ লগতে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় মঞ্চত উন্নয়নমূলক সহযোগিতা, সামৰ্থ বিকাশ, মানৱীয় সাহায্য, দুৰ্যোগ সাহায্য আদি বিষয়সমূহে আগস্থান লাভ কৰে।

০০০০

উজবেকিস্তানৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ছৈদভ বাখ্তিয়ৰ অ'ডিল'ভিছে কাইলৈৰ পৰা চাৰি দিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ভাৰতৰ বিদেশ মন্ত্ৰালয়ে এই বিষয়ে প্ৰকাশ কৰিছে। ভ্ৰমণকালত অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতি ভৱনত শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰাৰ লগতে ভাৰতৰ বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰকো সাক্ষাৎ কৰিব। তেওঁ দিল্লীত হ'বলগীয়া  এখন বাণিজ্যিক বৈঠকতো অংশগ্ৰহণ কৰাৰ কথা আছে। উভয় দেশৰ দ্বিপাক্ষিক সম্পৰ্ক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে বিগত ২০ জুলাইত বিদেশ মন্ত্ৰী দুগৰাকীৰ মাজত টেলিফোনৰ জৰিয়তে আলোচনা হৈছিল। আলোচনাকালত অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীয়ে কৌশলগত সহযোগিতাৰ ভিত্তিত সহযোগিতাৰ সকলো ক্ষেত্ৰতে ভাৰত আৰু উজবেকিস্তানৰ মাজত থকা দ্বিপাক্ষিক সম্পৰ্ক ধাৰাবাহিকভাৱে শক্তিশালী হৈ আহিছে বুলি মত পোষণ কৰিছিল। সত্য আৰু নিকট সম্পৰ্কৰ আধাৰৰ উপৰি ভাৰত আৰু উজবেকিস্তানৰ বিদেশ মন্ত্ৰীদ্বয়ৰ মাজত হোৱা নিয়মীয়া আলোচনাৰ জৰিয়তে দুয়োখন দেশে এই সম্পৰ্ক বজাই ৰখাত তেওঁ গুৰুত্ব আৰোপ কৰিছিল।

০০০০

অসম চৰকাৰে  অহা ২৫ ডিচেম্বৰত "মিছন বসুন্ধৰা  চতুৰ্থ পৰ্যায়'ৰ অধীনত  ভূমি পুনৰ জৰীপ কৰিব।  এয়া হ'ব ১৯৬০ চনৰ পাছত পদ্ধতিগত প্ৰথমটো ভূমি জৰীপ। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই  কালি এই কথা প্ৰকাশ কৰি কয় যে অহা চাৰি বছৰত আধুনিক গ্ল'বেল নেভিগেচন চেটেলাইট চিষ্টেম (জিএনএছএছ) প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰায় ১৮,০০০ গাঁও সামৰি লোৱা হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত  মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে ৰাজ্যখনৰ  "জাতি, মাটি আৰু ভেটি" (পৰিচয়, ভূমি আৰু ঐতিহ্য) সুৰক্ষিত কৰাটো চৰকাৰৰ অন্যতম প্ৰধান বিষয়।  মুখ্যমন্ত্ৰী ড°  শৰ্মাই  জ্যেষ্ঠ বিষয়াসকলৰ সৈতে

তিনিটা ডাঙৰ পদক্ষেপ - প্ৰকল্প জৰীপ, প্ৰকল্প অসম আৰু প্ৰকল্প মাটি সন্দৰ্ভত পৰ্য্যালোচনা বৈঠক অনুষ্ঠিত কৰা বুলিও প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে  মিছন বসুন্ধৰা চতুৰ্থ পৰ্যায়ৰ ভেটি গঠন কৰি প্ৰযুক্তি-সক্ষম সংস্কাৰ আৰু সুশৃংখলিত ৰাজহুৱা সেৱাৰ জৰিয়তে ভূমি সম্পৰ্কীয় সমস্যা সমাধানৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে।

০০০০

স্কটলেণ্ডৰ গ্লাছগ'ত চলি থকা কমনৱেল্‌থ গেমছত অসম কন্যা লাভলীনা বৰগোঁহাই মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম ওজন শাখাৰ  ফাইনেলত উপনীত হৈছে। খেলুৱৈগৰাকীয়ে ছেমিফাইনেলত তুভালুৰ তাৰোণা তাফাকীক ৫-০ ব্যৱধানত পৰাস্ত কৰে। লাভলীনাৰ লগতে কালিৰ দিনটোত ভাৰতৰ আন ৯ গৰাকী খেলুৱৈয়েও বক্সিঙৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। কালিৰ দিনটোত ভাৰতৰ জুডো খেলুৱৈ অস্মিতা দে'ই মহিলাৰ ৪৮ কিলোগ্ৰাম ওজন শাখাত স্বৰ্ণপদক অৰ্জন কৰে। এয়া হ'ল প্ৰতিযোগিতাখনৰ ইতিহাসত জুডোত ভাৰতৰ প্ৰথমটো স্বৰ্ণপদক। খেলুৱৈগৰাকীৰ সাফল্যত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই অভিনন্দন জ্ঞাপন কৰিছে। এই সাফল্যই জুডোক ভাৰতত অধিক জনপ্ৰিয় কৰি তোলাত সহায় কৰিব বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে।

জুডোত কালি ভাৰতৰ হৰ্ষ সিঙে পুৰুষৰ ৬০ কিলোগ্ৰাম ওজন শাখাত আন এটা স্বৰ্ণ পদক অৰ্জন কৰাৰ লগতে যামিনী মৰ্যই ৰূপৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাত এই পৰ্যন্ত ভাৰতে ৫ টা সোণ, ১২ টা ৰূপ, ৬ টা ব্ৰঞ্জসহ মুঠ ২৩ টা পদক অৰ্জন কৰিছে। অষ্ট্ৰেলিয়াই এই পৰ্যন্ত ৫৫ টা সোণসহ মুঠ ১২৮ টা পদক অৰ্জন কৰি পদক তালিকাৰ শীৰ্ষ স্থানত আছে।

০০০০

ভাৰতীয় সেনাৰ দ্বাৰা আয়োজিত ১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ এফৰ খেলসমূহ আজিৰে পৰা গুৱাহাটীত আৰম্ভ হ'ব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা  ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত হ'বলগীয়া আজিৰ প্ৰথমখন খেলত ক্ৰমাগত দুবাৰৰ চেম্পিয়ন নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে বড়োলেণ্ড এফ চিৰ বিৰুদ্ধে খেলিব। উল্লেখযোগ্য যে এছিয়াৰ আটাইতকৈ আৰু বিশ্বৰ তৃতীয় পুৰণি ফুটবল প্ৰতিযোগিতাখনৰ খেল পঞ্চম বাৰৰ বাবে অসমত অনুষ্ঠিত হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ